**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::**

## Headlines

১। এন ডি এৰ নৱ নিৰ্বাচিত সাংসদসকলৰ আজি নতুন দিল্লীত বৈঠক। বৈঠকত এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী উপস্থিত থকাৰ সম্ভাৱনা।

২। লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত কালি নিৰ্বাচন আয়োগৰ নিৰ্বাচনী আচৰণ বিধি প্ৰত্যাহাৰ।

৩। অহা নৱেম্বৰৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত সিদ্ধান্ত গ্ৰহণ।

৪। আজি বিশ্ব খাদ্য সুৰক্ষা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ কেইবাটাও কাৰ্যসূচী গ্ৰহণ।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি পূৰ্বৰ চেম্পিয়ন পাকিস্তান আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত পৰাস্ত।

0000000

নতুন দিল্লীত আজি এন ডি এৰ সংসদীয় দলৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত বিজেপি, টি ডি পি, জে ডি ইউ, এল জে পি (আৰ), শিৱসেনা সিন্ধে গোট, জে ডি এছ আৰু এন ডি এ মিত্ৰজোঁটৰ অন্য সহযোগী দলৰ নৱনিৰ্বাচিত সাংসদসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত ইতিমধ্যে চৰকাৰ গঠনক লৈ ৰাজনৈতিক গতিবিধি বৃদ্ধি পাইছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙক চৰকাৰ গঠনৰ বিষয় লৈ এন ডি এৰ সহযোগী দলসমূহৰ সৈতে আলোচনা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শ্ৰীনাড্ডাই কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী আৰু দলৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, প্ৰহ্লাদ যোশী, মনসুখ মন্দাভিয়া, অশ্বিনী বৈষ্ণৱ, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুঘ, দলৰ নেতা বিনোদ তাৱড়ে আৰু আন ভালেসংখ্যক নেতা উপস্থিত থাকে। ইপিনে, জে ডি ইউৰ কেইবাগৰাকীও নেতাই কালি দলৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক তেওঁৰ নতুন দিল্লীৰ বাসগৃহত সাক্ষাৎ কৰে। এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ পূৰ্বে আজি হোৱা জে ডি ইউৰ সংসদীয় গোটৰ এখন বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইতিমধ্যে এন ডি এ মিত্ৰজোঁটৰ নেতা হিচাপে বাছনি কৰা হৈছে।

0000000

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন আৰু অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, ওড়িশা তথা ছিকিম বিধানসভা নিৰ্বাচন তথা কেইবাখনো আসনত উপনিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পৰিপ্ৰেক্ষিতত কালিৰে পৰা নিৰ্বাচনী আচৰণবিধি প্ৰত্যাহাৰ কৰিছে। যোৱা ১৬ মাৰ্চত লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতেই নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছিল। অৱশ্যে কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু তেলেংগানাৰ কেইটামান সমষ্টিত হ'বলগীয়া দ্বিবাৰ্ষিক আৰু বিধান পৰিষদৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধি এতিয়াও প্ৰযোজ্য হৈ আছে। আয়োগে কালি এই বিষয়ে প্ৰকাশ কৰে। নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে দেশত এই বিধি বলৱৎ হোৱাৰ লগতে এই বিধিসমূহ ভংগ কৰাৰ লোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইপিনে মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে কালি নিৰ্বাচনী আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ড° সুখবীৰ সিং সান্ধুৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। তেওঁলোকে অষ্টাদশ লোকসভাৰ বাবে নিৰ্বাচনীত সাংসদসকলৰ তালিকাৰ এটা প্ৰতিলিপি ৰাষ্ট্ৰপতিক দাখিল কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। উল্লেখযোগ্য যে লোকসভাৰ ৫৪৩ খন আসনৰ ভিতৰত বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা অৰ্থাৎ এন ডি এই ২৯৩ খন আসন লাভ কৰি তৃতীয়বাৰৰ বাবে ক্ষমতা দখলৰ দিশে আগবাঢ়িছে। এই শপতগ্ৰহণ অনুষ্ঠানত প্ৰতিবেশী ৰাষ্ট্ৰ শ্ৰীলংকা, বাংলাদেশ, ভূটান, নেপাল আৰু মৰিছাছৰ ৰাষ্ট্ৰপ্ৰধান নাইবা চৰকাৰৰ মুৰববীয়ে অংশগ্ৰহণ কৰিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে আজি বিয়লি নতুন দিল্লীত উপস্থিত হোৱাৰ কথা আছে।

ইপিনে, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমসিংহেই নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানলৈ জনোৱা আমন্ত্ৰণৰ প্ৰতি সঁহাৰি জনাইছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অলপতে হৈ যোৱা নিৰ্বাচনত এন ডি এ চৰকাৰে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাবে আৰু একেৰাহে তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জনায়। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ইয়ো ফোনযোগে প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জ্ঞাপন কৰে। তেওঁ লগতে শ্ৰীমোদীক ভৱিষ্যতেও দুয়োখন ৰাষ্ট্ৰই প্ৰগতিৰ শিখৰত উপনীত হোৱাৰ বাবে কৌশলগত অংশীদাৰিত্বৰে কাম কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে।

নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল নতুন দিল্লীত হ'বলগীয়া প্ৰধানমন্ত্ৰী মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। সিং দৰবাৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছতে নেপাল চৰকাৰৰ মুখপাত্ৰ তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ৰেখা শৰ্মাই এই কথা প্ৰকাশ কৰে। টেলিফোন যোগে হোৱা কথোপকথনত নেপালৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক লোকসভা নিৰ্বাচনত এন ডি এৰ জয়লাভৰ বাবে শুভেচ্ছা জনায়। শ্ৰীদাহালে ভাৰত-নেপালৰ মাজৰ সম্পৰ্কক অধিক সুদৃঢ় কৰাৰ বাবে নতুনকৈ গঠন হ'বলগীয়া চৰকাৰখনৰ সৈতে বন্ধুত্ব সুলভ আৰু সহযোগিতাৰ মানসিকতাৰে কাম কৰি যাবলৈ প্ৰস্তুত আছে বুলি উল্লেখ কৰে।

০০০০০০০

ৰাজ্যত অহা নৱেম্বৰ-ডিচেম্বৰ মাহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। লোকসভা নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধক্ষ্যতাত কালি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত

এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছতেই অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে, নিৰ্বাচনৰ পূৰ্বে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিবোৰৰ পুনৰ্নিৰ্দ্ধাৰণ কৰাৰ লগতে উন্নয়ন খণ্ডবোৰৰো পুনৰ গঠন কৰা হ'ব।

ইপিনে, **অৰুণোদয়** আঁচনিৰ যোগেদি আৰু কিমান লোকক সামৰি ল'ব পাৰি, অন্তৰ্ভুক্ত হ'বলগীয়া পৰিয়ালৰ সংজ্ঞা, ৰাজ্যৰ বিত্তীয় অৱস্থা আদিৰ পৰ্যালোচনা কৰি চৰকাৰক এখন প্ৰতিবেদন দিবলৈ কেবিনেট উপ সমিতি গঠন কৰা হৈছে বুলিও ডঃ শৰ্মাই জানিবলৈ দিয়ে। বিত্তমন্ত্ৰী অজন্তা নেওগৰ অধ্যক্ষতাত গঠিত কমিটীখনৰ সদস্যসকল হৈছে মন্ত্ৰী ৰণোজ পেগু, বিমল বৰা, কেশৱ মহন্ত আৰু ৰঞ্জিৎ দাস। কমিটীখনে এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

আনহাতে **নিযুত মইনা** নামৰ আঁচনিখনৰ যোগেদি হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাৰ্ষিক, শৈক্ষিক অনুদান কেনেদৰে প্ৰদান কৰা হ'ব সেই সম্পৰ্কত পৰামৰ্শ দিবলৈও আন এখন কমিটী গঠন কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক লৈ গঠন কৰা কমিটীখনে এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অহা ১৫ আগষ্টত এই ধন মোকলাই দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তদুপৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ যোগেদি আৰু ১৫ লাখ লোকক বিনামূলীয়া চাউল বিতৰণৰ বাবে অন্তৰ্ভুক্ত কৰা, অহা ছেপ্তেম্বৰ মাহৰ পৰা মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই আঁচনিৰ যোগেদি ৫০ হাজাৰ টকা পৰ্যন্ত ঋণ লোৱাসকলক এন চি প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা আদি সিদ্ধান্তও কালি অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা হয়।

ইফালে, ছেপ্তেম্বৰ মাহত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ যোজনাৰ অধীনত প্ৰথম পৰ্যায়ত ৩০ হাজাৰ নিবনুৱাক ১ লাখ টকাকৈ প্ৰথম কিস্তিৰ বিত্তীয় সাহায্যও প্ৰদান কৰা হ'ব।

চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাবে পৰামৰ্শদান সমিতিয়ে ইতিমধ্যে ইউনেস্ক'লৈ ইতিবাচক প্ৰতিবেদন প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা মাহত ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ইউনেস্ক'ৰ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীত থকা ইউনেস্ক'ৰ প্ৰতিখন সদস্যৰাষ্ট্ৰৰ দূতাবাসৰ সৈতে ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত যোগাযোগ কৰিব বুলি কেবিনেটত সিদ্ধান্ত লোৱা হয়। কালিৰ কেবিনেটত দূৰদৰ্শন আৰু আকাশবাণীযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে ৫২টা খণ্ডত সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীয়ে ১০ কোটি টকাকৈ ব্যয় কৰাৰ বাবে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিত অনুমোদন জনোৱা হয়।

ইফালে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে জীৱনজোৱা যুঁজ দিয়া প্ৰয়াত বীৰুবালা ৰাভাৰ মৃত্যু দিন ১৩ মে'ৰ দিনটো ৰাজ্য চৰকাৰে কু-সংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰিবলৈও কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে আলোচনা হোৱাৰ কথা সদৰি কৰি ডঃ শৰ্মাই কয় যে, ৰাজ্যখনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ নৈসমূহত ২৬৪ কিলোমিটাৰত কোনো মথাউৰি নাই। ইয়াৰ বাবেই বহু অঞ্চল বানৰ কবলত পৰে। বান প্ৰতিৰোধৰ বাবে মথাউৰি নিৰ্মাণত কিমান ধনৰ প্ৰয়োজন হ'ব সেই সম্পৰ্কে প্ৰতিবেদন যুগুতাবলৈ জলসম্পদ বিভাগক কোৱা হৈছে বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জানিবলৈ দিয়ে।

ooooooo

আজি বিশ্ব খাদ্য সুৰক্ষা দিৱস। অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অন্তৰ্গত খাদ্য সুৰক্ষা আয়ুক্তালয়ে **অপ্ৰত্যাশিত পৰিস্থিতিৰ বাবে প্ৰস্তুতি** শীৰ্ষক বিষয়বস্তুৰে এই দিৱস পালনৰ আয়োজন কৰিছে। পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পুৱা ১০ বাজি ৩০ মিনিটৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব।

0000000

নিৰ্বাচন আয়োগে কৈছে যে, শেহতীয়া সাধাৰণ নিৰ্বাচনত মুঠ ৬৫ দশমিক ৭-৯ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিছে। লাক্ষাদ্বীপত সৰ্বাধিক ৮৪ দশমিক ১-৬ শতাংশ ভোটদান হৈছে। ভোটদানৰ ক্ষেত্ৰত ৮১ দশমিক ৫-৬ শতাংশ ভোটদানেৰে অসম দ্বিতীয় আৰু ৮০ দশমিক ৯-৩ শতাংশ ভোটদানেৰে ত্ৰিপুৰা তৃতীয় স্থানত আছে। উত্তৰ প্ৰদেশত ৫৬ দশমিক ৯-২ শতাংশ হোৱাৰ বিপৰীতে বিহাৰত সকলোতকৈ কম ভোটদান হৈছে। বিহাৰত ভোটদানৰ হাৰ হৈছে ৫৬ দশমিক ১-৯ শতাংশ। আয়োগে জনোৱা মতে সপ্তম পৰ্যায়ৰ নিৰ্বাচনত ৬৩ দশমিক ৮-৮ শতাংশ ভোটদান হয়।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত **মোদীৰ তৃতীয় কাৰ্যকাল** বিষয়ত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

0000000

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলক স্বীকৃতি প্ৰদান সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে জিলাসমূহৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

0000000

মাজুলীৰ গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত তথা সমগ্ৰ শিক্ষা অসমৰ মাজুলী জিলা আৰু মাজুলী জিলা অধিবিদ্যা পৰিষদৰ সহযোগত জিলাখনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ বাবে এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ শীৰ্ষক এই প্ৰশিক্ষণ কাৰ্যসূচীত মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক সংগীত বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত ভৰত কোঁৱৰকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

0000000

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ স্মৃতি দিৱস আজি যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনত পালন কৰা হ'ব। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ে যোৰহাট জিলা সাহিত্য

সভাৰ সহযোগত আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত কৃষ্ণকান্ত সন্দিকৈৰ জীৱন আৰু দৰ্শন সম্পৰ্কে বক্তৃতা প্ৰদান কৰিব ড০ অদিতি বেজবৰুৱাই।

0000000

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু পাৰ্বতী প্ৰসাদ সোঁৱৰণ ন্যাসৰ সহযোগত গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ ৬১ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি সন্ধিয়া ৬ বজাত গুৱাহাটী কুমাৰ ভাস্কৰ নাট্য মন্দিৰত **এক অনন্য সন্ধ্যা ঃ জোনাকী মেল** শীৰ্ষক অনুষ্ঠানত অনুষ্ঠিত হ'ব। সাংস্কৃতিক পৰিক্ৰমা বিভাগে এই অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

0000000

স্কটলেণ্ডে আজি বাৰ্বাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নাম্বিবিয়াক ৫ উইকেটত পৰাস্ত কৰিছে। স্কটলেণ্ডে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু তিনিটা বলত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে নাম্বিবিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫৫ ৰান কৰে।

ইপিনে, আয়োজক দেশ আমেৰিকা যুক্তৰাষ্ট্ৰই কালি ডলাছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পূৰ্বৰ চেম্পিয়ন পাকিস্তানক ৫ ৰানত পৰাস্ত কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৯ ৰান কৰে। পাকিস্তানৰ হৈ বাবৰ আজমে ৪৪ ৰান কৰে। আমেৰিকাৰ নোষ্টুছ কেনজিগেই তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত আমেৰিকাইয়ো ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। আমেৰিকাৰ হৈ মনাংক পেটেলে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। নিৰ্ধাৰিত অভাৰত খেলখন অমীমাংসিত হৈ ৰোৱাত ছুপাৰ অভাৰৰ সহায় লোৱা হয়। ছুপাৰ অভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰই এটা উইকেট হেৰুৱাই ১৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে এটা উইকেট হেৰুৱাই ১৩ ৰানহে কৰিবলৈ সমৰ্থ হয়।

আনহাতে, প্ৰতিযোগিতাত কানাডাৰ বিৰুদ্ধে জয়ৰে অভিযান আৰম্ভ কৰাৰ পাছত গ্ৰুপ-এত আমেৰিকাৰ এয়া দ্বিতীয়টো বিজয়। নিজৰ প্ৰথমখন খেলত পৰাজয় বৰণ কৰা পাকিস্তান পৰহিলৈ ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

## NEWSPAPER REVIEW (07-06-24) RNU

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এনডিএ চৰকাৰে তৃতীয়বাৰৰ বাবে শপতগ্ৰহণৰ প্ৰাকমুহূৰ্তত দপ্তৰ বিতৰণৰ ক্ষেত্ৰত সহযোগী দলসমূহৰ সৈতে চলি থকা বিভিন্ন ধৰণৰ আলোচনাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা নৱেম্বৰ মাহত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে কালি ৰাজ্যিক কেবিনেট বৈঠকত সিদ্ধান্ত লোৱাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

১৫ আগষ্টৰ পূৰ্বে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভাৰতীয় মূলৰ আমেৰিকান মহিলা মহাকাশচাৰী সুনীতা উইলিয়ামছে ইতিহাস ৰচনাৰে তৃতীয়বাৰলৈ মহাকাশলৈ যাত্ৰা কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এনডিএ মিত্ৰজোঁটৰ নৱনিৰ্বাচিত সাংসদসকলে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা হিচাপে নিৰ্বাচিত কৰাৰ উদ্দেশ্যে আজি বৈঠকত মিলিত হ 'বলগীয়া বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সদ্যঘোষিত অষ্টাদশ লোকসভা নিৰ্বাচনত পোষ্টেল বেলটযোগে ৰাজ্যত মুঠ ১ লাখ ২৬ হাজাৰ ৩০৬ টা ভোটদান সম্পন্ন হোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এনডিএৰ মিত্ৰদল অগপৰ সভাপতি অতুল বৰা আৰু ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োক অসমৰ বিশেষ ৰাজ্যৰ মৰ্যদা বিচাৰিবলৈ আহ্বান জনোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভাৰ নৱনিৰ্বাচিত ৫৪৩ জন সাংসদৰ ভিতৰত ৫০৪ জন সাংসদ কোটিপটি হোৱাৰ বিপৰীতে ২৫১ জনৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ থকাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইন ১০ লাখ ভোটৰ ব্যৱধানত জয়ী হোৱাটো অসমৰ বাবে অশনি সংকেত বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

1. ৰাজকোষৰ জোৰা মাৰিবৰ বাবেই পেট্ৰ'ল–ডিজেলৰ ভেট বৃদ্ধি দিছপুৰৰ
2. কাছাৰ আৰক্ষীৰ অভিযানত ৮.৫ কোটি টকাৰ ড্ৰাগছসহ এজন আটক

3. বাৰ্ড ফ্লুত মেক্সিকোত প্ৰথমজন ব্যক্তিৰ মৃত্যু হোৱাৰ কথা নিশ্চিতকৰণ বিশ্ব স্বাস্থ্য সংস্থাৰ আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**